# NSD NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 22-08-2025
**Time :** 1910 HRS

## *Assamese Evening Bulletin*
## *Headlines*

**- - - - - - - - - - - - - -**

১।	বিহাৰৰ গয়াত আজি বহুকেইটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে পৃথিৱীৰ যিকোনো প্ৰান্ততে লুকাই থকা সন্ত্ৰাসবাদীক বিচাৰি উলিয়াই ধ্বংস কৰাৰ ক্ষমতা ভাৰতীয় মিছাইলৰ আছে।

২।	প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে ভাৰতে উদ্ভাৱন আৰু প্ৰযুক্তিক প্ৰসাৰিত কৰি শক্তিশালী প্ৰতিৰক্ষা পৰিৱেশতন্ত্ৰ গঢ়ি তুলিছে।

৩।	উচ্চতম ন্যায়ালয়ে আজি নিৰ্বাচন আয়োগক নাম নথকা ভোটদাতাসকলৰ আবেদনৰ প্ৰপত্ৰ অনলাইনযোগে গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

*আৰু*

৪।	উচ্চতম ন্যায়ালয়ে অসমত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ১০০ শতাংশ পুনৰীক্ষণৰ বাবে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু ভাৰতৰ মহা পঞ্জীয়কলৈ জাননী জাৰি কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে অপাৰেশ্যন সিন্দূৰে ভাৰতৰ সামৰিক কৌশলগত ৰণনীতিৰ ক্ষেত্ৰত নতুন ৰেখা অংকন কৰিবলৈ সক্ষম হৈছে। তেওঁ কয়, যে ভাৰতলৈ সন্ত্ৰাসবাদী পঠিওৱা অথবা ভাৰতক আক্ৰমণ কৰিবলৈ পৰিকল্পনা কৰা কোনো পক্ষই এতিয়াৰ পৰা সাৰি যাব নোৱাৰে। পৃথিৱীপৃষ্ঠৰ যিকোনো প্ৰান্ততে লুকাই থকা যিকোনো সন্ত্ৰাসবাদীকে ভাৰতীয় মিছাইলে বিচাৰি উলিয়াই তেওঁলোকক ধ্বংস কৰাৰ ক্ষমতা এতিয়া ভাৰতৰ আছে। বিহাৰৰ গয়াত আজি ১২ হাজাৰ কোটি টকা মূল্যৰ বহুকেইটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰীয়ে এনেদৰে মন্তব্য আগবঢ়ায়। এই প্ৰকল্পসমূহৰ ভিতৰত শক্তি, পথ, স্বাস্থ্য, নগৰ বিকাশ আৰু জল পৰিবহন অন্তৰ্ভুক্ত হৈ আছে। শ্ৰীমোদীয়ে লগতে গয়া আৰু দিল্লীৰ মাজত চলাচল কৰিবলগীয়া অমৃত ভাৰত এক্সপ্ৰেছ ৰেলগাড়ীখনৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে আৰু পৰ্যটনৰ ক্ষেত্ৰত উল্লেযোগ্য ভূমিকা গ্ৰহণ কৰিব পৰা বৈশালী আৰু কোডাৰমাৰ মাজত চলাচল কৰিবলগা বুদ্ধিষ্ট চাৰ্কিট ৰেলগাড়ীখনো শুভাৰম্ভ কৰে। এই বিশেষ ৰেলগাড়ীখনে এই অঞ্চলত থকা বিভিন্ন ধৰ্মীয় অঞ্চলসমূহ ভ্ৰমণ কৰাত যাত্ৰীসকলক সহায় কৰিব। শ্ৰীমোদীয়ে কয় যে দেশত বৰ্তমান বাঢ়ি অহা অনুপ্ৰবেশকাৰীৰ সংখ্যাই গভীৰ সমস্যাৰ সৃষ্টি কৰিছে। তেওঁ লগতে বিহাৰৰ বৰ্তমানৰ পৰিৱৰ্তন হোৱা মানচিত্ৰৰ কথা উল্লেখ কৰি এই অনুপ্ৰবেশকাৰীসকলক ভৱিষ্যতে বাধা প্ৰদান কৰা হ'ব বুলিও জানিবলৈ দিয়ে। বিহাৰৰ যুৱ প্ৰজন্মৰ বাবে থকা নিয়োগৰ সুযোগ কোনো ধৰণে এই অনুপ্ৰবেশকাৰীসকলক দিয়া

নহ'ব বুলিও তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে কেন্দ্ৰীয় চৰকাৰৰ বাবে বিহাৰৰ দ্ৰুত বিকাশ এটা প্ৰধান প্ৰাথমিকতা। তেওঁ আৰু কয়, যে আজি উন্মোচন হোৱা বিহাৰৰ প্ৰকল্পসমূহে ৰাজ্যখনৰ ঔদ্যোগিক ক্ষেত্ৰখন শক্তিশালী কৰি তুলিব আৰু ৰাজ্যৰ যুৱ প্ৰজন্মৰ বাবে নিয়োগৰ সুবিধাৰ সৃষ্টি কৰিব। যোৱা ১১ বছৰত দেশত ৪ কোটিতকৈও অধিক দুখীয়া পৰিয়ালক স্থায়ী আৱাসস্থল প্ৰদান কৰা আৰু বিহাৰত ৩৮ লাখ ঘৰ ইতিমধ্যে নিৰ্মাণ কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে কেন্দ্ৰৰ দ্বৈত ইঞ্জিনৰ চৰকাৰখনে বিহাৰৰ ৰে'ল বিভাগৰ বিকাশৰ বাবে দ্ৰুতগতিত কাম কৰি আছে। অমৃত ভাৰত ষ্টেচন আঁচনিৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এই আঁচনিৰ জৰিয়তে গয়া ৰে'ল ষ্টেচনৰ আধুনিকীকৰণ তথা যাত্ৰীসকলক বিমান বন্দৰত প্ৰদান কৰা সুবিধাৰ দৰে একে সুবিধাই প্ৰদান কৰা হৈছে বুলি জানিবলৈ দিয়ে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি কলকাতা আৰু পশ্চিম বংগত ৫ হাজাৰ ২০০ কোটি টকা ব্যয়সাপেক্ষ বহুকেইটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ কয়, যে কলকাতা চহৰখনে ভাৰতৰ বুৰঞ্জী আৰু অনাগত ভৱিষ্যতৰ দিনবোৰত এক বিশেষ স্থান দখল কৰিছে। এখন গণসভাত ভাষণ দি তেওঁ কয়, যে ভাৰতে বৰ্তমান বিশ্বৰ ভিতৰতে তৃতীয় বৃহত্তম অৰ্থনীতি হিচাপে চিহ্নিত হ'বলৈ গৈ আছে আৰু দমদম তথা কলকাতাই ভাৰতৰ এই উন্নতিৰ যাত্ৰাত উল্লেখযোগ্য ভূমিকা পালন কৰিছে। তেওঁ উল্লেখ কৰে যে ২০১৪ বৰ্ষৰ পূৰ্বে ভাৰতত কেৱল ২৫০ কিলোমিটাৰ মেট্ৰ' ৰে'লৰ পথৰ ব্যৱস্থা আছিল আৰু বৰ্তমান এই ৰে'লপথে এহেজাৰ কিলোমিটাৰতকৈও অধিক পথ অতিক্ৰম কৰিছে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে ভাৰতে উদ্ভাৱন আৰু প্ৰযুক্তি বিকাশক প্ৰসাৰিত কৰাৰ লগতে ঘৰুৱা কোম্পানীসমূহক উপযুক্ত সুবিধা প্ৰদান কৰি শক্তিশালী প্ৰতিৰক্ষা পৰিৱেশ তন্ত্ৰ গঢ়ি তুলিছে। তেওঁ কয়, দেশখনে পঞ্চম প্ৰজন্মৰ যুদ্ধ বিমান নিৰ্মাণৰ লগতে বিমানখনৰ ইঞ্জিন নিৰ্মাণৰ দিশত আগবাঢ়িছে। তেওঁ কয় যে, ফ্ৰান্সৰ ছাফ্ৰান নামৰ প্ৰতিষ্ঠানটোৰ সহযোগত ভাৰতে দেশীয়ভাৱে ইঞ্জিন নিৰ্মাণৰ কাম আৰম্ভ কৰিব।

আজি নতুন দিল্লীত অনুষ্ঠিত এটা ৰাজহুৱা অনুষ্ঠানত ভাষণ দি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে ৯৭খন তেজস যুদ্ধ বিমান নিৰ্মাণৰ বাবে হিন্দুস্তান এৰ'নটিকছ লিমিটেড চমুকৈ এইচ এ এললৈ ৬৬ হাজাৰ কোটি টকাৰ অনুমোদন দিছে।

তেওঁ লগতে কয় যে ইয়াৰ পূৰ্বে এইচ এ এলক ৪৮ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে ৮৩খন বিমান নিৰ্মাণৰ নিৰ্দেশ দিয়া হৈছিল। ৰাজনাথ সিঙে সকলো বিদেশী কোম্পানী আৰু বিনিয়োগকাৰীক দেশৰ প্ৰতিৰক্ষা নিৰ্মান ক্ষেত্ৰত বিনিয়োগ কৰিবলৈ আহ্বান জনায়।

ভাষণ প্ৰসংগত তেওঁ প্ৰতিৰক্ষা খণ্ডত উদ্ভাৱন আৰু প্ৰযুক্তি বিকাশৰ প্ৰসাৰৰ বাবে ইনোভেচন ফৰ ডিফেন্স এক্সিলেন্স আৰম্ভ কৰা বুলি উল্লেখ কৰে। তেওঁ কয় যে চৰকাৰে ব্যক্তিগত খণ্ডক প্ৰতিৰক্ষাৰ ক্ষেত্ৰত বিনিয়োগৰ বাবে উপযুক্ত পৰিৱেশ প্ৰদান কৰাৰ লগতে

যুদ্ধ বিমান, হেলিকপ্টাৰ, টেংক, চাবমেৰিনকে ধৰি প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণৰ সুবিধা প্ৰদান কৰিছে।

০০০০০

উচ্চতম ন্যায়ালয়ে আজি দেশৰ নিৰ্বাচন আয়োগক নাম নথকা ভোটদাতাসকলৰ আবেদনৰ প্ৰপত্ৰ অনলাইনযোগে গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। ইয়াৰ বাবে প্ৰপত্ৰৰ লগত নিৰ্বাচন আয়োগে উল্লেখ কৰি দিয়া ১১খন নথিপত্ৰৰ যিকোনো এখন অথবা কেৱল আধাৰ কাৰ্ডৰ প্ৰতিলিপি গ্ৰহণ কৰিব পৰা যাব বুলিও ন্যায়ালয়ে স্পষ্ট কৰি দিয়ে। যোৱা ২৬ জুনত নিৰ্বাচন আয়োগে দিয়া নিৰ্দেশনাক প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে এই নিৰ্দেশ দিয়ে। ন্যায়াধীশ সূৰ্যকান্ত আৰু জয়মাল্য বাক্সিৰ খণ্ড বিচাৰপীঠখনে গোচৰটোৰ শুনানি গ্ৰহণ কৰি আবেদনৰ প্ৰপত্ৰ অফলাইন ব্যৱস্থাযোগে গ্ৰহণ কৰাৰ পৰিৱৰ্তে অনলাইন ব্যৱস্থাৰে গ্ৰহণৰ নিৰ্দেশ দিয়ে। বিৰাচৰীঠখনে ৰাজনৈতিক দলসমূহৰ লগতে বুথ পৰ্যায়ৰ এজেণ্টসকলক সমগ্ৰ ৰাজ্যতে ভোটাৰ তালিকাৰ পৰা নাম বাদ পৰা লোকসকলক সহায় কৰিবলৈ পৰামৰ্শ দিয়ে।

০০০০০

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে জনাইছে যে ভাৰতে ৰাষ্ট্ৰসংঘৰ শান্তি বৰ্তাই ৰাখিবলৈ চলি থকা প্ৰতিটো অভিযানতে মহিলাসকলৰ অংশগ্ৰহণ সুনিশ্চিত কৰাৰ লগতে তেওঁলোকৰ একত্ৰিতভাৱে কাম কৰাৰ ক্ষেত্ৰত শক্তিশালী সমৰ্থন আগবঢ়াই আহিছে। নতুন দিল্লীত আজি ৰাষ্ট্ৰসংঘৰ মহিলা সামৰিক বিষয়াসকলক লগ ধৰি শ্ৰীসিঙে এনেদৰে কয়। তেওঁ লগতে কয়, যে বৰ্তমানৰ চৰকাৰখনে দেশৰ সামৰিক বাহিনী আৰু শান্তি ৰক্ষা কৰিব পৰা বিভিন্ন অভিযানত মহিলাসকলে সমভাৱে অংশগ্ৰহণ কৰিব পৰাকৈ বহুতো নীতি নিৰ্ধাৰণ কৰিছে। অনাগত সময়ত লিংগবৈষম্য আঁতৰাবলৈ ৰাষ্ট্ৰসংঘৰ সৈতে আৰু লগতে সামৰিক বাহিনীৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা তথা বিশ্বশান্তিৰ হকে কাম কৰিবলৈ ভাৰত বদ্ধপৰিকৰ বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে বিশ্বৰ ১৫খন দেশৰ পৰা দিল্লীৰ এই সভালৈ অহা বিষয়াসকলৰ উপস্থিতিয়ে তেওঁলোকে একতা আৰু সহযোগিতাৰে ৰাষ্ট্ৰসংঘৰ বিভিন্ন কৰ্তব্য নিষ্ঠাৰে পালন কৰাকে বুজায়।

০০০০০

উচ্চতম ন্যায়ালয়ে অসমত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ১০০ শতাংশ পুনৰীক্ষণৰ বাবে দাখিল কৰা আবেদন সন্দৰ্ভত আজি কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু ভাৰতৰ মহা পঞ্জীয়কলৈ জাননী জাৰি কৰিছে। লগতে বৰ্তমান ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ অসমৰ মুখ্যসমন্বয়ক গৰাকীলৈকো সৰ্বোচ্চ ন্যায়ালয়ে জাননী জাৰি কৰিছে। অসমৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ প্ৰাক্তন সমন্বয়ক তথা অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া হিতেশ দেৱশৰ্মাই যোৱা জুলাই মাহত এই সন্দৰ্ভত দাখিল কৰা আবেদন আজি ন্যায়াধীশ পি নৰসিমহা আৰু ন্যায়াধীশ অতুল চন্দুৰকাৰকলৈ গঠিত খণ্ড বিচাৰপীঠে বিচাৰৰ বাবে গ্ৰহণ কৰে আৰু সংশ্লিষ্ট পক্ষলৈ জাননী জাৰি কৰে।

০০০০০

লখিমপুৰ জিলাৰ দুলুং সংৰক্ষিত বনাঞ্চলৰ দুলুংমুখ ফায়াৰিং ৰেঞ্জত ১ ছেপ্তেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈ বোমা বিস্ফোৰণ, ৰকেট আৰু গুলীচালনাৰ বাবে ৰেঞ্জটো সক্ৰিয় কৰা হৈছে। এই সময়ছোৱাত ভাৰতীয় সেনাবাহিনীয়ে বোমা বিস্ফোৰণ, ৰকেট আৰু গুলীচালনাৰ অনুশীলন কৰিব। লখিমপুৰ জিলা

প্ৰশাসনে এটা নিৰ্দেশনা যোগে এই সময়ছোৱাত দুলুংমুখ ৰেঞ্জ এলেকাত সাধাৰণ লোকৰ প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰিছে।

০০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন কাইলৈ কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব আৰু যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হ'ব।

ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবে বুধবাৰে কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ১৬ বাৰৰ চেম্পিয়ন ইষ্ট বেংগল ফুটবল ক্লাবক ২-১ গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। খেলখনৰ দ্বিতীয়াৰ্ধত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবৰ হৈ মাইকেল কৰ্টাজাৰে প্ৰথমটো গল দিয়ে যদিও তাৰ কিছু সময়ৰ পাছতে ইষ্ট বেংগলৰ আনোৱাৰ আলীয়ে সমতা স্থাপন কৰে। পাছত ডায়মণ্ড হাৰ্বাৰৰ জবিয়ে দলৰ হৈ বিজয়সূচক গ'লটো দিয়ে।

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে মঙলবাৰে শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০

সমাপ্ত